بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২২ ফেব্ৰুৱাৰীত মছজিদ বায়তুল ফুতুহ মৌৰডনৰ (বৃটইনৈত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে জমাতত মুচলেহ মাওউদ দিৱস সম্পৰ্কে জলছা কৰা হয় অৰ্থাৎ এই ভৱিষ্যত বাণী সম্পৰ্কে য'ত আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ক এজন প্ৰতিশ্ৰুতি প্ৰাপ্ত (মাওউদ) পুত্ৰৰ সংবাদ দিছিল, যাৰ সম্পৰ্কে আল্লাহ তায়লা কৈছিল যে সেই লৰাজনক বিশেষ গুণাৱলীৰ অধিকাৰী বনোৱা হ'ব তেওঁ দ্বীনৰ সেৱক হ'ব, দীঘলীয়া বয়স পাব (দীৰ্ঘকাল জীয়াই থাকিব) আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ মিছনক আগলৈ চলাই যাব। এয়া ২০ ফেব্ৰুৱাৰী ১৮৮৬ চনৰ ভৱিষ্যতবাণী। এই ভৱিষ্যত বাণী হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে আল্লাহ তায়লাৰ সহযোগিতা আৰু তেখেত (আঃ) ৰ সত্যতাৰ এটা ডাঙৰ নিৰ্দৰ্শন। গতিকে উক্ত লৰাজনৰ জন্মৰ যি সময় উল্লেখ কৰা হৈছিল, সেই অনুসৰি ১২ জানুৱাৰী ১৮৮৯ চনত লৰাজনৰ জন্ম হৈছিল, যাৰ নাম ৰখা হৈছিল মিৰ্জা বশিৰ উদ্দিন মেহমুদ আহমদ। যাক আল্লাহ তায়লা হজৰত খলিফাতুল মছিহ আউৱালৰ মৃত্যুৰ পিছত খিলাফতৰ চাদৰ পিন্ধাইছিল। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এই ভৱিষ্যত বাণী এজন সাধাৰণ পুত্ৰৰ জন্ম সম্পৰ্কে নাছিল বৰং এজন এনেকুৱা মৰ্যদা সম্পন্ন পুত্ৰৰ জন্ম সম্পৰ্কে এই ভৱিষ্যত বাণী আছিল, যাৰ আগমনত এটা আধ্যাত্মিক জাগৰণৰ সুত্ৰপাত হ'বলৈ আছিল। এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে ইয়াতে গমি চোৱা উচিত যে এয়া কেৱল ভৱিষ্যত বাণীয়ে নহয় বৰং এটা মহান আচমানী নিদৰ্শন; যিটো খোদায়ে কৰিম জ্বাল্লাছানা আমাৰ নবী কৰিম ৰাওফুৰ ৰহিম মহম্মদ মোস্তাফা (ছাঃ) ৰ সত্যতা আৰু সন্মান প্ৰকাশিত কৰাৰ নিমিত্তে প্ৰকাশ ঘটাইছে। প্ৰকৃতে এই নিদৰ্শন এজন মৃতকক জীৱিত কৰাত কৈ গুণে শ্ৰেষ্ট আৰু উত্তম আৰু সম্পৰ্ণ দক্ষ আৰু মহান আৰু মহত্ব পূৰ্ণ কাৰণ এজন মৃতকক জীৱণ দান কৰাৰ অৰ্থ হ'ল যে আস্থানে ইলাহিত দোৱা কৰি এটা আত্মা ঘুৰাই অনা হে মাত্ৰ। কিন্তু ইয়াত আল্লাহৰ কৃপা আৰু কৰুণা আৰু দয়াৰ বৰকতৰ লগতে হজৰত খাতামুল আম্বিয়া (ছাঃ) ৰ কল্যাণত খোদা বন্দ কৰিম এই দাসৰ দোৱা কবুল কৰিলৈ এনেকুৱা কল্যাণ মণ্ডিত ৰূহ পঠোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যাৰ আধ্যাত্মিক আৰু বাহ্যিক বৰকত গোটা ভুমণ্ডত বিস্তাৰিত হ'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে গতিকে এয়া কোনো সাধাৰণ ৰূহ বিচৰা হোৱা নাছিল বৰং এটা (ঐশী) নিদৰ্শন হে বিচৰা হৈছিল, যাৰ ফলশ্ৰুতি আল্লাহ তায়লা অলেখ বিশেষত্ব আৰু গুণাৱলীৰ অধিকাৰী পুত্ৰৰ জন্মৰ খবৰ দিছিল। এজন এনেকুৱা মহান বুজুৰ্গ পুত্ৰৰ খবৰ দিছিল, যিয়ে দীৰ্ঘায়ু হ'ব উচ্চ জ্ঞানী আৰু প্ৰজ্ঞা সম্পন্ন হ'ব, দক্ষ মহান আৰু দৌলতৰ গৰাকী হ'ব। সম্প্ৰদায়ে তাৰ পৰা বৰকত লাভ কৰিব, তেওঁ বাহ্যিক আৰু আধ্যাত্মিক শিক্ষাৰ জ্ঞানেৰে সম্পুৰ্ণ কৰা হ'ব। আল্লাহৰ বাণী অৰ্থাৎ কোৰ-আন কৰিমৰ গভীৰ জ্ঞান তেওঁক প্ৰদান কৰা হ'ব। তেওঁ সেই খোদা প্ৰদত্ত জ্ঞানৰ জৰিয়তে কোৰ-আন কৰিমৰ সহানু খিদমত কৰাৰ তৌফিক লাভ কৰিব; আৰু আল্লাহৰ বাণীৰ মহত্ব পৃথিৱীত প্ৰকাশ পাব। তেওঁ বন্ধী সকলৰ মুক্তিৰ কাৰক হ'ব। তেওঁ গোটা বিশ্বত জ্বলি উঠা বিধংসী সমস্যাত জৰ্জৰিত হ'ব। অৰ্থাৎ তেওঁৰ জীৱণ কালতে এনেকুৱা বিশ্ব ব্যাপি ধংসৰ সুচনা হ'ব, যিয়ে গোটেই বিশ্বক দহন কৰি পেলাব। তেওঁ ভুমণ্ডলৰ শেষ প্ৰান্ত লৈকে জনাজাত আৰু খ্যাতি লাভ কৰিব। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে তেখেতৰ শিক্ষা সম্পৰ্কে উল্লেখ আছে যে তেখেতে কোৰ-আন কৰিম পঢ়িব জনাৰ পিছত নিয়ম মতে স্কুলত ভৰ্ত্তি হৈ নিতৌ জাগতিক শিক্ষা লাভৰ সুবিধা পাইছিল। ঘৰতো ব্যক্তিগত শিক্ষকৰ জৰিয়তে উৰ্দু আৰু ইংৰাজী শিকিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে মই মোৰ শিক্ষা বিষয়ত হজৰত খলিফাতুল মছিহ আউয়াল (ৰাঃ) ৰ পৰা আটাইতকৈ বেছি সহায় লাভ কৰিছো। তেখেত (ৰাঃ) চিকিৎসক আছিল সেয়ে এয়া ভালদৰে জানিছিল যে মোৰ শৰীৰৰ অৱস্থা তেনে উপযুক্ত নাছিল যে মই

বেছি সময়লৈকে কিতাপ চাই থাকো। সেয়ে তেখেতৰ এয়া ৰীতি আছিল যে তেখেতে মোক নিজৰ কাষত বহাই লৈছিল আৰু কৈছিল মিয়া ! মই পঢ়ো, তুমি শুনি থাকা। ইয়াৰ কাৰণ আছিল, সৰুতে মোৰ চকুত হঠাতে টান কঙ্কৰ আহি পৰিছিল, যাৰ ফলত একেৰাহে তিনি মাহ কাল চকুৰ বিষত কষ্ট পাইছিলো আৰু ডাক্তৰ মহোদয়ে কৈছিল যে এই চকুৰ দৃষ্টি শক্তি গুচি যাব। সেই বেমাৰত আক্ৰান্ত হোৱাৰ ফলত মোৰ এটা চকুৰ অৰ্থাৎ বাওঁ ফালৰ চকুটোৰ দৃষ্টি শক্তি নোহোৱা হৈছিল। মই বাট,পথ দেখিবলৈ পাইছিলো কিন্তু কিতাপ পঢ়িব পৰা নাছিলো। হজৰত মছিহ মাওউদ (আঃ) য়ে মোৰ শিক্ষক সকলক কৈছিল যে তেওঁক তাৰ ইচ্ছা অনুযায়ী পঢ়িব দিয়ক। যিখিনি পঢ়িব বিচাৰে সিমানেই পঢ়ক আৰু যদি নপঢ়ে তেন্তে তাক পঢ়িবলৈ জোৰ দিব নালাগে। কাৰণ তাৰ শাৰিৰীক অৱস্থা সিমান ভাল নহয় যে তেওঁ পঢ়াৰ বোজা বহন কৰিব পাৰিব। হজৰত মছিহ মাওউদ (আঃ) য়ে বাৰে বাৰে মোক কেৱল এয়া কৈছিল যে তুমি কোৰ-আন কৰিমৰ তৰজমা আৰু বুখাৰী হজৰত মৌলবী নুৰুদ্দিন চাহাবৰ পৰা পঢ়ি লোৱা। তেখেত (আঃ) য়ে এয়াও কৈছিল যে অলপ চিকিৎসা শাস্ত্ৰও পঢ়িবা কাৰণ এয়া আমাৰ বংশীয় বিদ্যা।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে কৈছে যে মাষ্টাৰ ফকিৰ উল্লাহ চাহাব আমাৰ গনিতৰ শিক্ষক আছিল। তেখেতে এবাৰ হজৰত মছিহ মাওউদ (আঃ) ৰ ওচৰত মোৰ বিষয়ে অভিযোগ দিছিল যে হুযুৰ এওঁ একোকে নপঢ়ে । কেতিয়াবা কেতিয়াবা স্কুলত আহে আৰু কেতিয়াবা আকৌ নাহে। তেখেত (ৰাঃ) য়ে কৈছে যে মোৰ মনত আছে ! যেতিয়া শিক্ষক মহোদয়ে হজৰত মছিহ মাওউদ (আঃ) ৰ ওচৰত এই অভিযোগ দিছিল তেতিয়া মই ভয়তে লুকাই পৰিছিলো যে নাজানো হজৰত মছিহ মাওউদ (আঃ) য়ে কিমান বেয়া পাব ! কিন্তু হজৰত মছিহ মাওউদ (আঃ) য়ে যেতিয়া কথাবোৰ শুনিছিল তেতিয়া তেখেত (আঃ) য়ে কৈছিল যে আপোনালৈ কৃতজ্ঞ হৈছো যে আপুনি লৰা-ছোৱালীৰ প্ৰতি লক্ষ্য ৰাখে আৰু মই আপোনাৰ কথা শুনি সুখী হৈছো যে মেহমুদ কেতিয়াবা কেতিয়াবা স্কুলত আহে। এয়া বৰ ভাল কথা যে কেতিয়াবা কেতিয়াবা গুচি যায়। মোৰ মতে তাৰ স্বাস্থ্য সেই যোগ্য নহয় যে তেওঁ পঢ়িব পাৰিব। আকৌ হজৰত মছিহ মাওউদ (আঃ) য়ে মিচিকিয়াই কৈছিল যে মই তাক দি আটা-দালিৰ দোকান দিয়াম নেকি যে তেওঁক অংক শিকাব লাগিব। তেওঁ হিচাপ কৰিব পাৰে বা নোৱাৰে তাত কোনো কথা নাই। আকৌ কৈছিল যে ৰছুলে কৰিম (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলে কিনো হিচাপ শিকিছিল। যদি এওঁ স্কুলত যায় তেন্তে ভাল কথা আৰু যদি নাযায় তেন্তে তাক যাবলৈ বাধ্য কৰা উচিত নহয়। এয়া শুনি শিক্ষক মহোদয়ে ওভতি গৈছিল। মই সেই সুযোগ বুজি আৰু সুবিধা লৈছিলো মুঠতে স্কুলত যোৱা এৰিয়ে দিছিলো। কেতিয়াবা মাহত দুই এবাৰ গৈছিলো। মুঠতে এনেদৰেই মোৰ শিক্ষা আহৰণ কৰা হৈছিল। মই আচলতে বাধ্য হৈ পৰিছিলো কাৰণ মোৰ লৰালি কালত চকুৰ বেমাৰৰ ওপৰিও মই হৃদ ৰোগতও আক্ৰান্ত আছিলো। ছয়, ছয় মাহলৈকে মোক মূগ দালিৰ পানী নাইবা শাক-পাচলিৰ পানী খাবলৈ দিয়া হৈছিল। ইয়াৰ লগতে মোৰ তলৰ (শৰীৰৰ) অংশও বাঢ়ি গৈছিল। ৰেড আইওডাইট অফ মৰ্কৰিৰ মালিচ সেই অংশত লগোৱা হৈছিল। এনেদৰে গলতও এই মালিচ লগোৱা হৈছিল কাৰণ মোৰ গলত খানাজিৰৰ বেমাৰ আছিল। মুঠতে চকুত কঙ্কৰ , হৃদ ৰোগ, তলি বেমাৰ ,গলত বেমাৰ লগতে ছয় ছয় মাহলৈকে জ্বৰ হৈ থকা কাৰণে বুজুৰ্গ সকলে মোৰ পঢ়া সম্পৰ্কে সিদ্ধান্ত লৈছিল যে এওঁ যি পাৰে তাকেই পঢ়ক। তাৰ ওপৰত যেন জোৰ দিয়া নহয়। এনেবোৰ অৱস্থা চাই প্ৰত্যেকেই অনুমান কৰিব পাৰিব যে মোৰ শিক্ষাৰ অৱস্থা কেনে হ’ব পাৰে।

হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) য়ে সদায় মোক কৈছিল যে মিয়া ! তোমাৰ স্বাস্থ্য তেনেকুৱা নহয় যে তুমি নিজে নিজে পঢ়িব পাৰিবা, মোৰ ওচৰলৈ আহিবা, মই পঢ়ি থাকিম আৰু তুমি শুনি যাবা। গতিকে তেখেতে জোৰেৰে উচ্চাৰি প্ৰথমে কোৰ-আন পঢ়াইছিল আকৌ বুখাৰী পঢ়াইছিল। তেখেতে কোৰ-আন পঢ়ি গৈছিল আৰু লগে লগে তাৰ তৰজমা শুনাই গৈছিল। তাত কোনো কথা জৰুৰী থাকিলে সেয়া বুজাই দিছিল নহলে বেগেৰে পঢ়াই গৈছিল। তেখেতে তিনি মাহৰ ভিতৰত গোটেই কোৰ-আন পঢ়াই দিছিল। মই তেখেতৰ পৰা চিকিৎসা শাস্ত্ৰও পঢ়িছিলো আৰু কোৰ-আন কৰিমৰ তফছিৰও পঢ়িছিলো। কোৰ-আন কৰিমৰ তফছিৰ পঢ়া দুমাহতে শেষ কৰিছিল। তেখেত (ৰাঃ) য়ে মোক নিজৰ ওচৰত বহুৱাই লৈছিল আৰু কেতিয়াবা আধা আৰু কেতিয়াবা পুৰ্ণ পাৰা এটা তৰজমা সহ পঢ়ি শুনাইছিল।

কোনো কোনো আয়াতৰ তফছিৰও শুনাইছিল। এনেদৰে বুখাৰীও মোক দুই তিনি মাহৰ ভিতৰত শুনাই শেষ কৰিছিল। এবাৰ ৰমজান মাহত তেখেত (ৰাঃ) য়ে সম্পুৰ্ণ কোৰ-আনৰ দৰছ দিছিল, তাত সদায় মই উপস্থিত থাকিছিলো। কেইটা মান আৰবী ৰছালা (কাকত) মই তেখেতৰ পৰা পঢ়াৰ সুযোগ পাইছিলো। গতিকে এয়াই আছিল মোৰ শিক্ষা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ ভাষণ, তেখেতৰ খোতবা, তেখেতৰ ৰচনাৱলী, তেখেতৰ তফছিৰে কোৰ-আন আদিয়ে সাক্ষী দিয়ে যে খোদা তায়লা তেখেতক পঢ়ুৱাইছে। হজৰত মছিহ মাওউদ (আঃ) ৰ জীৱদশাত ১৯০৬ চনত যি জলছা অনুষ্ঠিত হৈছিল তাত প্ৰথমবাৰ হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে ভাষণ ৰাখিছিল। হজৰত কাজি মহম্মদ জহুৰ উদ্দিন আকমল চাহাব (ৰাঃ)য়ে কৈছিল যে ‘‘বৰুজ নবুয়তৰ উজ্বল নক্ষত্ৰ’’ ৰিছালতৰ মৰ্যদাৰ জকমকীয়া মতি,মণিক্য মেহমুদ ছালমাহুল্লাহ আল অদুদ শিৰিক সম্পৰ্কে ভাষণ দিবলৈ থিয় হৈছে। কি কম সুললিত কন্ঠুৰ এক জুৰি যেন জোৰেৰে বৈ গৈছে। সচাঁকৈয়ে ইমান কম বয়সত ধ্যান ধাৰণাৰ যি দৃঢ়তা সেয়া এটা মজিজাতকৈ কম নহয়। মোৰ ধাৰণা মতে এয়াও হুযুৰ (আঃ) ৰ সত্যতাৰ প্ৰমাণ বা চিহ্ন স্বৰূপ। ইয়াৰ পৰা বুজা যায় যে এয়া মছিহিয়তৰ সন্মানৰ প্ৰতীক, যি তৰবিয়তৰ সকলো পৰ্যায়ৰ শীৰ্ষ বিন্দুত উপস্থিত হৈছে গৈ। তেখেতে আধ্যাত্মিক সম্পৰ্ণতাৰ ওপৰত আচৰিত ধৰণে বিশ্লেষণ কৰিছে।

এই যুগত তেখেতৰ দ্বিনী ব্যকুলতা আৰু আগ্ৰহ আৰু মানসিক আৰু আধ্যাত্মিক উন্নতিয়ে এয়া ইংগিত দিছিল যে ভৱিষ্যত বাণীৰ সেই শব্দ ‘‘অহ জলদ বঢ়হেগা’’ ৰ এখেতেই প্ৰমান হৈ উঠিব। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে মিয়া মেহমুদৰ মাজত ইমানেই দ্বিনী আগ্ৰহ উৎসা বিৰাজিত আছে যে মই মাজে সময়ে তাৰ বাবে বিশেষ ভাৱে দোৱা কৰোঁ। হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ) য়ে যি জীৱনী লিখিছে তাৰ এঠাইত লিখিছে প্ৰথম খিলাফতৰ আৰম্ভনীত হজৰত চাহাবৰ বয়স ১৯ বছৰ আছিল আৰু হজৰত খলিফাতুল মছিহ আউৱালৰ তিৰুধানৰ সময়ত তেখেতৰ বয়স ২৬ বছৰত ভৰি দিছিল। সেই কোমল বয়সতে তেখেতৰ ভাষণ আৰু লিখনৰ যি ধাৰা আছিল তাৰ কেইটামান উদাহৰণ আগ বঢ়াইছো। তেখেতৰ ধ্যান ধাৰণা আৰু ৰচনা শৈলীত বুজুৰ্গ চিন্তাবিদৰ দৰে দৃঢ়তা প্ৰকাশিত হৈছিল। তেখেতৰ কথা প্ৰৱঞ্চনা আৰু বনাবটিৰ সৈতে আছিল অপৰিচিত আৰু লিখনি আছিল প্ৰদৰ্শনীৰ পৰা পবিত্ৰ। ভাষণত আছিল তেখেতৰ মন-মুগ্ধকৰ বাগ্মিতা আৰু লিখনী আছিল অভিজ্ঞ প্ৰাঞ্জলতাৰ সাগৰ সদৃশ। দুয়োটাই কোৰাণী জ্ঞান আৰু আধ্যাত্মিকতাৰ পানীৰে আবৃত আছিল আৰু সদায় মন-মস্তিস্ক জুৰ পেলাইছিল। হজৰত মছিহ মাওউদ (আঃ) ৰ মৃত্যুৰ পিছত ১৯ বছৰ বয়সত তেখেত (ৰাঃ) য়ে প্ৰথমে যি ভাষণ প্ৰদান কৰিছিল সেই সম্পৰ্কে মৌলবী শ্বেৰ আলী চাহাব (ৰাঃ) য়ে কৈছিল যে আৰু এটা ঘটনা আছে যি সম্পৰ্কে মই ইয়াত উল্লেখ কৰিব বিচাৰিছোঁ সেয়া হ’ল হজৰত খলিফাতুল মছিহ ছানিৰ প্ৰথম ভাষণ। যি তেখেত (ৰাঃ) য়ে হজৰত মছিহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত প্ৰথম বাৰ্ষিক জলছাত প্ৰদান কৰিছিল। এই জলছা মাদ্ৰাছা আহমদীয়াৰ দুৱাৰ ডলিত অনুষ্ঠিত কৰা হৈছিল। হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) হুযুৰ (ৰাঃ) ৰ সোঁফালে মঞ্চত বহি আছিল। উক্ত ভাষণৰ দুটা কথা আছিল উল্লেখনীয়। প্ৰথম হ’ল তেখেত (ৰাঃ) ৰ কন্ঠ আৰু শব্দ উচ্চাৰণ আৰু ভাষণৰ ভঙ্গী হজৰত মছিহ মাওউদ (আঃ)ৰ কন্ঠ, শব্দ, অংগী ভঙ্গীৰ লগত এনেকুৱা মিলিছিল যে শ্ৰোতা সকলৰ হৃদয়ত হজৰত মছিহ মাওউদ (আঃ)ৰ স্মৃতি সজীৱ হৈ উঠিছিল আৰু শ্ৰোতা বৃন্দৰ মাজত বহুতেই এনেকুৱা আছিল, যি সকলৰ চকুৰে হজৰত মছিহ মাওউদ (আঃ)ৰ শব্দ শুনাৰ কাৰণে যি তাৰ পছৰ মাওউদৰ ওঁঠেৰে সেই সময়ত ভাহি আহিছিল, যেনেকৈ গ্ৰামোফোনত ক্ষন্তেকৰ বাবে অদৃশ্য ব্যক্তিৰ কন্ঠ স্বৰ শুনিবলৈ পোৱা যায়, চকুলো নিগৰি আহিছিল। সেই চকুলো মুচি থকা সকলৰ মাজত এই অধমও আছিল। দ্বিতীয় কথা হ’ল যে যেতিয়া ভাষণ শেষ হৈছিল তেতিয়া হজৰত খলিফাতুল মছিহ আউৱাল (ৰাঃ) যাৰ গোটেই জীৱণটো কোৰ-আন চৰিফৰ সেৱাত অতিবাহিত হৈছিল আৰু কোৰ-আন কৰিম যাৰ আত্মাৰ ভোজন আছিল, কৈছিল মিয়া বহু কেইটা আয়াতৰ এনেকুৱা তফছিৰ কৰিছিল যিবোৰ মোৰ বাবেও নতুন আছিল। গতিকে এই ভেদ এই ডেকাজনক কোনে শিকাইছে। তেঁৰেই যিয়ে কোৰ-আন চৰিফত হজৰত ইউছুফ (আঃ)ৰ বিষয়ে কৈছে ‘‘ওয়া লাম্মা বালাগা আশুদ্ধাহু আতায়নাহু হুকমাও ওয়া ইলমান, ওয়া কাজালিকা নাজজিল মুহছিনিন’’ আৰু যেতিয়া তেওঁ নিজৰ ডেকা বয়সত উপনীত হৈছিল, তেতিয়া তাক

আমি প্ৰজ্ঞা আৰু জ্ঞান বিদ্যা প্ৰদান কৰিছিলো আৰু এনেদৰে আমি দয়ালু সকলক উত্তম ফল দান কৰোঁ। তেখেত (ৰাঃ) য়ে কেৱল সাধাৰণ প্ৰজ্ঞাময় জ্ঞান গভীৰ কথাবোৰ বৰ্ণনা কৰা নাছিল বৰং কোৰ-আন চৰিফৰ আছুতীয়া ৰহস্য সমূহও ব্যাখ্যা কৰিছিল আৰু আল্লাহ তায়লা কোৰ-আন চৰিফৰ বিষয়ে কৈছে "লা ইয়া মাচ্ছুহু ইল্লাল মুতাহ হাৰুন" কোনেও ইয়াক স্পৰ্শ কৰিব নোৱাৰে; পাক-পবিত্ৰ লোকৰ বাহিৰে। গতিকে লৰালি কাল এৰি আহোতেই তেখেত (ৰাঃ)য়ে লোকৰ সন্মুখত কোৰ-আন চৰিফৰ নতুন আৰু সুক্ষ্ম ৰহস্য (তত্ত্ব) ব্যাখ্যা কৰাটো এই বিষয়ৰ চাক্ষুষ সাক্ষ্য যে তেখেত (ৰাঃ) য়ে নিজৰ লৰালি কাল আল্লাহ তায়লাৰ বিশেষ তৰবিয়তৰ মাজত কটাইছে আৰু তেখেত শিশু অৱস্থাৰ পৰাই পবিত্ৰ লোকৰ জমাতৰ অৰ্ন্তভুক্ত আছিল।

তেখেত (ৰাঃ) ৰ লৰালি কালৰ পৰাই ইবাদতৰ মান কেনেকুৰা আছিল এই বিষয়ে শ্বেখ গোলাম আহমদ চাহাব ওৱায়েজ (ৰাঃ) য়ে এটা ঘটনা বৰ্ণনা কৰিছে যে এবাৰ মই এয়া সিদ্ধান্ত লৈছিলো যে আজিৰ ৰাতিটো মছজিদ মোবাৰকত কটাম আৰু অকলে অকলে মই নিজৰ মওলাৰ যি বিচাৰো সেয়া প্ৰাৰ্থনা কৰিম। যেতিয়া মই মছজিদত গৈ উপস্থিত হৈছিলো, দেখিছিলো যে কোনোবা এজন ব্যক্তি ছিজদাৰত হৈ আছে আৰু কাকুতি-মিনতিৰে দোৱা কৰি আছে। মই তাৰ কাকুতি-মিনতিৰ শব্দ শুনি নমাজ পঢ়িব নোৱাৰা হৈছিলো আৰু সেই ব্যক্তিজনৰ দোৱাৰ ক্ৰিয়া মোৰ ওপৰত পৰিছিল আৰু মইও দোৱা কৰিবলৈ লৈছিলো যে ইয়া ইলাহি ! এইজন ব্যক্তিয়ে তোমাৰ ওচৰত যি ভিক্ষা খুজি আছে সেয়া তুমি তাক দি দিয়া আৰু মই থিয়ই থিয়ই ক্লান্ত হৈ পৰিছিলো যে মূৰ দাঙিলেহে গম পাম তেওঁ কোন হয়। যেতিয়া তেখেত (ৰাঃ) য়ে ছিজদাৰ পৰা মুৰটো দাঙিছিল তেতিয়া দেখিছিলো যে সেইজন মিয়া মেহমুদ চাহাব হয়। মই আচ্ছালামু আলায়কুম কৈছিলো আৰু মুচাফা কৰিছিলো আৰু সুধিছিলো মিয়া ! আজি আল্লাহ তায়লাৰ পৰা কিবা অলপ লৈ লৈছানে ? তেতিয়া কৈছিল যে মই মাত্ৰ প্ৰাৰ্থনা কৰিছিলো যে হে ইলাহি মোক মোৰ চকুৰ আগত ইছলামক জিন্দা কৰি (জীৱিত কৰি) দেখুৱা, এয়া কৈছিল আৰু ভিতৰ ফালে গুচি গৈছিল। ইছলামৰ বিজয় দিন দেখিবৰ এক ব্যাকুল আশা সেই কম বয়সতেই তেখেত (ৰাঃ) ৰ হৃদয়ত ঠাই লৈছিল গতিকে আল্লাহ তায়লা তেখেতক ডেকা কালতেই খিলাফতৰ চাদৰ পিন্ধাইছিল। হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ) য়ে "তশহিজুল আযহান" ত নিজৰ দোৱা এটা উল্লেখ কৰিছে। যি ১৯০৯ চনত তেখেত লিখিছিল। তেখেতে আল্লাহ তায়লাৰ ওচৰত দোৱা কৰোঁতে মিনতি কৰিছিল যে হে মোৰ আল্লাহ ! মই বৰ বেদনাযুক্ত হৃদয়েৰে আৰু সঁচা অনুতাপৰ সৈতে তোমাৰ সমীপত পৰিছো আৰু ছিজদা কৰি আছো আৰু আবেদন জনাই আছো যে মোৰ দোৱা শুনি লোৱা আৰু মোৰ মাত শুনা। হে মোৰ পবিত্ৰ খোদা ! মোৰ সম্পদায় ধংসৰ পথত আগ বাঢ়িছে ইয়াক ধংসৰ গ্ৰাসৰ পৰা ৰক্ষা কৰা, যদিও তেওঁলোকে নিজকে আহমদী বুলি কয়, সেই বুলি সিঁহতৰ লগত মোৰ কি সম্পৰ্ক, যেতিয়া লৈকে সিহঁতৰ মন প্ৰাণ পৰিস্কাৰ নহয় আৰু তেওঁলোকে তোমাৰ প্ৰেমত বিভোৰ নহয়। গতিকে হে মোৰ আল্লাহ ! নিজৰ ৰহমানিয়ত আৰু ৰহিমিয়তৰ গুণাৱলীত জোৱাৰ উদ্বেল কৰি দিয়া আৰু সিহঁতক নিৰ্মল কৰি দিয়া। চাহাবা সকলৰ দৰে একাগ্ৰতা, সিহঁতৰ হৃদয়ত জন্ম দিয়া তেওঁলোকে যেন তোমাৰ দ্বিনৰ নিমিত্তে ব্যাকুল হৈ পৰে আৰু নবী কৰিম (ছাঃ) ৰ প্ৰেমিক হয় আৰু পবিত্ৰ আৰু সজ শিক্ষা তেওঁলোকৰ হৃদয়ত ঠাই লয় যেন।

অৱশেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে দোৱা কৰিছে যে আল্লাহ তায়লাৰ হাজাৰ হাজাৰ ৰহমত তেখেতৰ ওপৰত বৰ্ষন কৰক আৰু আমাক তেখেতৰ বেদনা সিক্ত দোৱা বুজিব আৰু কৰিবৰ আৰু আহমদী হোৱাৰ আশা পুৰণ কৰাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 22 Feb..2019**

**(BOOK POST PRINTED MATTER)**

**To**

------------------------------------------------------------------------

------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**